NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-04-2024
**Time :** 1340 hrs

*Assamese Evening Bulletin*

**HEADLINES**

0000000

১। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতে ইয়াৰ বাবে যে, একো সাফল্য অসম্ভৱ নহয়, সেয়া দেখুৱাই দিছে।

২। পশ্চিমবংগত মুক্ত আৰু নিকা লোকসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগে কেন্দ্ৰীয় সশস্ত্ৰ অৰ্ধ-সামৰিক বাহিনীৰ শতাধিক কোম্পানী নিয়োগ কৰিবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ক নিৰ্দেশ দিছে।

৩। অসমত ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে বিভিন্ন দলৰ তাৰকা প্ৰচাৰকসকলৰ আগমণ ঘটিছে।

৪। ইউৰোপীয় সংসদৰ আগশাৰীৰ বিশেষজ্ঞ এঞ্জেলোছ ডেলীৰ'ৰিয়ছে কৈছে যে, ভাৰতে মুঠ ঘৰুৱা উৎপাদনৰ হাৰৰ দিশৰ পৰা চীনক চেৰ পেলাইছে।

*আৰু*

৫। পাঞ্জাব কিংছ আজি চণ্ডিগড়ত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতে ইয়াৰ বাবে যে, একো সাফল্য অসম্ভৱ নহয়, সেয়া দেখুৱাই দিছে। উত্তৰ প্ৰদেশৰ পিলিভিডৰ এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীমোদীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, লক্ষ্য যিমানেই কঠিন নহওক কিয়, ভাৰতে এবাৰ ঠিৰাং কৰিলে ই সেই লক্ষ্যত উপনীত হ'বই। এই অনুপ্ৰেৰণা আৰু শক্তিৰেই বৰ্তমান চৰকাৰে ভাৰতক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে কাম কৰি আছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, কংগ্ৰেছ চৰকাৰে বিশ্বৰ পৰা সহায় বিচাৰিছিল যদিও কৰ'ণা মহামাৰীৰ সময়ত ভাৰতবৰ্ষই বিশ্বৰ বিভিন্ন দেশলৈ ঔষধ আৰু প্ৰতিষেধক প্ৰেৰণ কৰিছিল। কোনো এখন দেশ শক্তিশালী হ'লে বিশ্বই সেই দেশৰ কথা শুনে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, দেশত যুৱ প্ৰজন্মৰ বাবে ন ন কৰ্ম-সংস্থাপনৰ সুযোগ সৃষ্টি হৈছে।

বিৰোধী পক্ষক কটাক্ষ কৰি শ্ৰীমোদীয়ে কয় যে, আই এন ডি আই মিত্ৰজোটে ৰাম মন্দিৰ নিৰ্মাণৰ বিৰোধিতা কৰিছিল আৰু প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানলৈ জনোৱা আমন্ত্ৰণক প্ৰত্যাখ্যান কৰিছিল। প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত অংশগ্ৰহণ কৰাসকলক দলৰ পৰা বহিষ্কাৰ কৰা হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে দাবী কৰে।

0000000

নিৰ্বাচন আয়োগে কৈছে যে, দেশৰ ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ টা সমষ্টি সামৰি হ'বলগীয়া দ্বিতীয় পৰ্য্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে এহেজাৰ ২১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে। এই সমষ্টিকেইটাৰ বাবে মুঠ দুহেজাৰ ৬৩৩ খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল। পৰীক্ষাৰ অন্তত এহেজাৰ ৪২৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছিল। দ্বিতীয় পৰ্য্যায়ৰ বাবে কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আছিল। দ্বিতীয় পৰ্য্যায়ৰ বাবে ২৬ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্য্যায়ত কেৰালাৰ ২০ টা সংসদীয় সমষ্টিৰ বাবে সৰ্বাধিক ৫০০ আৰু কৰ্ণাটকৰ ১৪ টা সমষ্টিৰ বাবে ৪৯১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

0000000

পশ্চিমবংগত মুক্ত আৰু নিকা লোকসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগে কেন্দ্ৰীয় সশস্ত্ৰ অৰ্ধ-সামৰিক বাহিনীৰ শতাধিক কোম্পানী নিয়োগ কৰিবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ক নিৰ্দেশ দিছে। সূত্ৰৰ পৰা জানিব পৰা মতে, আয়োগৰ নিৰ্দেশমৰ্মে গৃহ মন্ত্ৰ্যালয়ে ৰাজ্যখনৰ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৫৫ টা আৰু সীমান্ত সুৰক্ষা বাহিনীৰ ৪৫ টা কোম্পানী নিয়োগ কৰিছে। বিষয়াসকলক ১৫ এপ্ৰিল অথবা ইয়াৰ পূৰ্বে কেন্দ্ৰীয় সশস্ত্ৰ অৰ্ধ-সামৰিক বাহিনীৰ অতিৰিক্ত ১০০ টা কোম্পানী নিয়োগ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৈত্ৰ্য শুক্লাদি, গুড়ি পড়ৱা, উগাডি, চেতী চান্দ, নৱৰেহ আৰু ছজীবু চেইৰাওবা উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, এই উৎসৱসমূহ বসন্ত ঋতু আৰু ভাৰতীয় নৱ-বৰ্ষক আদৰণি জনোৱা উৎসৱ। দেশৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা এই উৎসৱসমূহে শান্তি, সম্প্ৰীতি আৰু সহনশীলতাৰ বাৰ্তা বিয়পাই দিব বুলি ৰাষ্ট্ৰপতিয়ে আশা প্ৰকাশ কৰিছে। তেওঁ লগতে কৈছে যে, এই উৎসৱসমূহ দেশৰ চহকী সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতীক আৰু এই উৎসৱসমূহত মানুহে প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কৈছে যে, বিভিন্ন নামেৰে উদযাপন কৰিলেও এই উৎসৱসমূহৰ মূল উদ্দেশ্য একেই। এই উৎসৱসমূহে দেশৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত নৱ-বৰ্ষৰ আৰম্ভণি কৰে বুলিও উপ-ৰাষ্ট্ৰপতিয়ে প্ৰকাশ কৰিছে। দেশে এই উৎসৱমুখৰ অনুষ্ঠানবোৰ আঁকোৱালি লোৱাৰ সময়তে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে বৈচিত্ৰ্যত ঐক্যৰ মনোভাৱৰ বিষয়ে চিন্তা-চৰ্চা কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে নৱ-সংবৎসৰ উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। নতুন বছৰটোৱে সকলোৰে বাবে সুখ-সমৃদ্ধি আৰু সুস্বাস্থ্য কঢ়িয়াই আনিব বুলি শ্ৰীমোদীয়ে আশা প্ৰকাশ কৰিছে। নৱ-ৰাত্ৰিৰ শুভেচ্ছা জনাই শক্তি পূজাৰ মহান উৎসৱে সকলোৰে বাবে সুখৰ বতৰা কঢ়িয়াই আনিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে।

0000000

অসমত ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে বিভিন্ন দলৰ তাৰকা প্ৰচাৰকসকলৰ আগমণ ঘটিছে। বিজেপিৰ জ্যেষ্ঠ  নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিয়লি উত্তৰ লখিমপুৰৰ এখন জনসভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছতে তেওঁ প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচন হ'বলগীয়া তিনিচুকীয়াৰ এটা ৰোড শ্ব'ত অংশ ল'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ

কলিতাই দলীয় প্ৰাৰ্থীসকলৰ হকে ঠায়ে ঠায়ে প্ৰচাৰ চলাই আছে। অন্যান্য দলবোৰেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত জনসভাৰ আয়োজন কৰিছে। কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, সাংসদ গৌৰৱ গগৈ আৰু প্ৰদ্যুৎ বৰদলৈয়ে ভোটদাতাক আকৰ্ষণ কৰাৰ বাবে সকলো ধৰণে প্ৰয়াস চলাইছে। ইপিনে আম আদমী পাৰ্টীৰ নেত্ৰী আতিশীয়ে কালি দুলিয়াজানত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়। ৰাজ্যখনত প্ৰথম পৰ্য্যায়ৰ লোকসভা নিৰ্বাচনত ভোটগ্ৰহণ হ'বলগীয়া ৫ টা সংসদীয় সমষ্টিৰ বাবে মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০০০০

ইউৰোপীয় সংসদৰ আগশাৰীৰ বিশেষজ্ঞ এঞ্জেলোছ ডেলীৱ'ৰিয়ছে কৈছে যে, ভাৰতে মুঠ ঘৰুৱা উৎপাদনৰ হাৰৰ দিশৰ পৰা চীনক চেৰ পেলাইছে আৰু ভৱিষ্যতলৈও দেশখনৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ চীনতকৈ অধিক হৈ থাকিব। বিদেশ নীতিৰ ক্ষেত্ৰত বিশেষ দক্ষতা থকা এঞ্জেলোছ ডেলীৱ'ৰিয়ছ ইউৰোপৰ সংসদীয় গৱেষণা ই পি আৰ এছৰ নীতি বিশেষজ্ঞ। ই পি আৰ এছ গোটে ইউৰোপীয় সংসদৰ সদস্যসকলক সৰ্বাত্মক গৱেষণা আৰু বিশ্লেষণাত্মক সহায় আগবঢ়ায়। যোৱা দশকত ভাৰতৰ অৰ্থ ব্যৱস্থাৰ নিৰন্তৰ বৃদ্ধিৰ কথা উল্লেখ কৰি এঞ্জেলোছ ডেলীৱ'ৰিয়ছে কৈছে যে, ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন চীনতকৈ অধিক হৈছে আৰু ইয়াৰ পৰা গোলকীয় মঞ্চত অৰ্থনৈতিক মহাশক্তি হিচাপে ভাৰতৰ উত্থান প্ৰতিপন্ন হৈছে। বিগত ৫ বছৰত বাৰ্ষিক ভিত্তিত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ চীনতকৈ অধিক হৈ আছে। সেই অনুসাৰে, ২০২৩ চনত ভাৰতৰ গড় বৃদ্ধিৰ হাৰ ৭ দশমিক ৫ শতাংশ হোৱাৰ বিপৰীতে চীনৰ বৃদ্ধিৰ হাৰ ৫ দশমিক ২ শতাংশ হয়। ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰ ২০২৬ চনলৈকে ৭ দশমিক ১ শতাংশ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত চীনৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৪ দশমিক ৬ শতাংশলৈ হ্ৰাস পাব পাৰে বুলি কোৱা হৈছে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আই এম এফৰ অনুমান অনুসৰি, ২০২৪ চনত চীনৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ৪ দশমিক ৬ শতাংশ হ'ব আৰু ২০২৮ত এই হাৰ ৩ দশমিক ৫ শতাংশলৈ হ্ৰাস পাব।

০০০০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়ে আৰকাৰী নীতি সম্পৰ্কীয় ক'লা ধন বৈধকৰণৰ গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ব্যক্তিগত সহকাৰী বিভৱ কুমাৰ আৰু আম আদমী পাৰ্টীৰ বিধায়ক দুৰ্গেশ পাঠকক জেৰা কৰিছে। সূত্ৰৰ পৰা জানিব পৰা মতে, ক'লা ধন বৈধকৰণ প্ৰতিৰোধী আইনৰ অধীনত তেওঁলোকৰ ভাষ্য গ্ৰহণ কৰা হৈছে। শ্ৰীপাঠকক ২০২১-২২ চনৰ গোৱা বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টীৰ প্ৰচাৰ অভিযান সংক্ৰান্তত জেৰা কৰা হৈছে। ছাউথ গ্ৰুপে প্ৰদান কৰা ১০০ কোটি টকাৰ উৎকোচৰ প্ৰায় ৪৫ কোটি টকা আম আদমী পাৰ্টীয়ে গোৱা বিধান সভাৰ নিৰ্বাচনৰ প্ৰচাৰত ব্যয় কৰিছিল বুলি তদন্ত সংস্থাটোৱে অভিযোগ উত্থাপন কৰিছে।

০০০০০০০

পাঞ্জাব কিংছ আজি চণ্ডিগড়ৰ মহাৰাজা যাদবীন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, চেন্নাই ছুপাৰ কিংছে যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি কলকাতাই নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৩৭ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত চেন্নাইয়ে ১৭ অভাৰ আৰু ৪টা বলত ৩টা উইকেট হেৰুৱাই ১৪১ ৰাণ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা চাৰে ন বজাত প্ৰচাৰ হ’বলগীয়া দৃষ্টিপাত লোক নিৰ্ণয় ২০২৪ শীৰ্ষক অনুষ্ঠানত লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰা হ’ব। এই অনুষ্ঠানত ৰাজ্যিক নিৰ্বাচন বিভাগৰ সচিব কৈলাশ কাৰ্তিক এন, নিৰ্বাচন বিভাগৰ যুটীয়া সচিব পংকজ চক্ৰৱৰ্তী আৰু উপ মুখ্য নিৰ্বাচনী বিষয়া মানবেন্দ্ৰ ভড়ালী উপস্থিত থাকিব। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬, ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি পোনপটীয়াকৈ অংশ লব পাৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতিম শৰ্মাই।

০০০০০০০

**সমাপ্ত**